**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-11-2024
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***

খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ জনমুখী প্ৰয়াস অন্ন সেৱা দিন এই মাহৰ বাবে আজিৰ পৰা ১০ নৱেম্বৰলৈ ঘোষণা কৰা হৈছে। ৰাজ্যৰ মুঠ ৬৭ লাখ ২ হাজাৰ ৫৪টা পৰিয়ালৰ ২ কোটি ৩০ লাখৰো অধিক হিতাধিকাৰীয়ে এই আঁচনিৰ অধীনত সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়া চাউল সংগ্ৰহ কৰিব পাৰিব। আনহাতে, সুলভ মূল্যৰ দোকানীসকলক অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰ চলোৱা আৰু নিৰ্ধাৰিত দিনকেইটাত দোকান খোলা ৰাখি হিতাধিকাৰীসকলক প্ৰাপ্য চাউল বিতৰণ নিশ্চিত কৰিবলৈ আহ্বান জনোৱা হৈছে।

00000000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজিৰে পৰা পৰ্যটকৰ বাবে হাতী ছাফাৰী মুকলি কৰা হৈছে। কৃষিমন্ত্ৰী অতুল বৰাই কঁহৰা বনাঞ্চলৰ মিহিমুখত ফিটা কাটি আনুষ্ঠানিকভাৱে হাতী ছাফাৰী মুকলি কৰে। পৰম্পৰাগত হস্তী পূজাৰে ২০২৪-২৫ পৰ্যটন বৰ্ষৰ হাতী ছাফাৰী মুকলি কৰা হয়। বাগৰি বনাঞ্চলতো আজিৰে পৰা ব্যক্তিগত হাতী ছাফাৰী আৰম্ভ হৈছে। হাতী ছাফাৰী মুকলি হোৱাৰ প্ৰথম দিনটোতে কঁহৰা বনাঞ্চলৰ ১০টা হাতীত বেলজিয়াম, আমেৰিকা, ইংলেণ্ডৰ পৰ্যটককে ধৰি দেশী-বিদেশী মুঠ ৩০ গৰাকী পৰ্যটক হাতী ছাফাৰী কৰি। উল্লেখযোগ্য যে, বন বিভাগে যোৱা ১ অক্টোবৰত ৰাষ্ট্ৰীয় উদ্যানখনত জীপ চাফাৰী মুকলি কৰিছিল। উদ্যান কৰ্তৃপক্ষই জনোৱা মতে, অক্টোবৰ মাহত ২৮ হাজাৰ ৯৮০ গৰাকী পৰ্যটকে ৰাষ্ট্ৰীয় উদ্যানখনত জীপ ছাফাৰী কৰে। ইয়াৰে ভাৰতীয় পৰ্যটক ২৮ হাজাৰ ৪০১ গৰাকী আৰু বিদেশী পৰ্যটকৰ সংখ্যা হৈছে ৫৭৯ গৰাকী। হাতী চাফাৰী মুকলি কৰা সন্দৰ্ভত এয়া আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈ-

ভইচ কাষ্ট

ইপিনে, ২০২৪-২৫ বৰ্ষৰ বাবে নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্প যোৱা ৩০ অক্টোবৰত দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। পশ্চিম অসম বন্যপ্ৰাণী বিভাগৰ বন সংৰক্ষক তথা নামেৰী ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ পৰিচালকে এই বিষয়ে জানিবলৈ দিয়ে। 0000000

000

ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি ৩ নৱেম্বৰৰ দিনা পুৱা ১০ বজাত **লুইতৰ পৰা মিছিচিপিলৈ** শীৰ্ষক অসম ভিত্তিক মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে এই প্ৰতিযোগিতা আয়োজন কৰিছে। ইপিনে, একেদিনাই বিয়লি ২ বজাৰ পৰা বীৰেন্দ্ৰ নাথ দত্ত বিষয়ক **সাতোখন সুৰীয়া নৈ** শীৰ্ষক মুকলি কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সহযোগত ইনলি ফাউণ্ডেচনে এই প্ৰতিযোগিতাখন আয়োজন কৰিছে। ৩ নৱেম্বৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ ড° বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত দুয়োখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০

কামৰূপ জিলাৰ হাজো অঞ্চলৰ দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ শুভাৰম্ভণি অনুষ্ঠান কাইলৈ দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। মহাৰজত জয়ন্তী উপলক্ষে কাইলৈ পুৱাৰ ভাগত অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰে পতাকা উত্তোলন কৰিব। অভিনেতা চম্পক শৰ্মাই বাৰে ৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব। অনুষ্ঠানৰ মূল সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত মুখ্য অতিথি আৰু কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কলিতা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাতত অনুষ্ঠানত সতৰ্কতা সপ্তাহ সন্দৰ্ভত আলোচনা কৰা হ'ব। এই অনুষ্ঠানত তদাৰকী আৰু দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান সুৰেন্দ্ৰ কুমাৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০

অসম পেৰালিম্পিক সন্থাই সদ্যসমাপ্ত ৰাষ্ট্ৰীয় পেৰা সাঁতোৰ প্ৰতিযোগিতাত পদক জয়ী খেলুৱৈসকলক আজি খানাপাৰাত আয়োজিত এটা অনুষ্ঠানত সম্বৰ্দ্ধনা জনায়। গোৱাত অনুষ্ঠিত ৰাষ্ট্ৰীয় পেৰা সাঁতোৰ প্ৰতিযোগিতাত দুটা সোণ জয় কৰা কৃষ্ণা দাস, এটা সোণ লাভ কৰা সূৰ্য শইকীয়াক আজি সম্বৰ্দ্ধনা জনোৱা হয়। আনহাতে, তিনিটা ৰূপ জয়ী য়েছমিন খাতুন তথা এটাকৈ ব্ৰঞ্জ জয় কৰা ছাজিদা বেগম আৰু প্ৰীতি দাসকো অসম পেৰালিম্পিক সন্থাই সম্বৰ্দ্ধনা জনায়। অনুষ্ঠানত সন্থাৰ সভাপতি চন্দন বৰুৱা, সম্পাদক ৰাজীৱ দে, উপ-সভাপতি দোৰথি ছুচিয়াং, অসম পেট্ৰ' কেমিকেলছ্ লিমিটেডৰ সঞ্চালক জিতু তালুকদাৰ আৰু ইউকো বেংকৰ মাণ্ডলিক কাৰ্যালয়ত মুখ্য প্ৰৱন্ধক কুকিলা বৰকটকীও উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় পেৰা সাঁতোৰ প্ৰতিযোগিতাত অসমে তিনিটা সোণসহ মুঠ আঠটা পদক লাভ কৰিছে।

০০০

নিউজিলেণ্ডৰ বিৰুদ্ধে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত আজিৰে পৰা অনুষ্ঠিত ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিম টেষ্টত ভাৰতীয় দলটো প্ৰাৰম্ভিক বেটিং বিপৰ্যয়ৰ সন্মুখীন হৈছে। টছত জিকি প্ৰথমে বেটিং কৰি নিউজিলেণ্ডৰ প্ৰথম ইনিংছ ২৩৫ ৰাণত সমাপ্ত হোৱাৰ পাছত প্ৰথম দিনৰ খেলৰ সামৰণিত ভাৰতে চাৰিটা উইকেট হেৰুৱাই প্ৰথম ইনিংছত ৮৬ ৰাণ কৰিছে। যশস্বী জয়ছৱালে ৩০, ৰোহিত শৰ্মাই ১৮ আৰু বিৰাট কোহলীয়ে ৪ ৰাণ কৰি আউট হোৱাৰ পাছত শুভমন গিলে ৩১ আৰু ঋষভ পন্তে ১ ৰাণ কৰি খেলি আছে। আগতীয়াকৈ বেট ধৰিবলৈ অহা বেগী বলাৰ মহম্মদ চিৰাজ প্ৰথম বলতে আউট হয়। ইয়াৰ পূৰ্বে নিউজিলেণ্ডৰ ইনিংছত ডেৰিল মিচেলে ৮২ আৰু উইল ইয়ঙে ৭১ ৰাণ কৰে। ভাৰতৰ হৈ স্পীনাৰ ৰবীন্দ্ৰ জাদেজাই পাঁচটা আৰু ৱাশ্বিংটন সুন্দৰে চাৰিটা উইকেট দখল কৰে।

০০০

সমাপ্ত